


Goalpara College, Goalpara observed the National Energy Conservation Day 2023 on 14th December 2023. A half day long programme was organized on the occasion by the Dept. of Chemistry, Goalpara College. Dr. Ranjit Choudhury, head of the department of physics and Dr. Rakesh Mazumdar, assistant professor from the department of chemistry, talked elaborately on the significance and need of energy conservation. The meeting was chaired by Dr. A. H Khan, Head, Dept. of Chemistry, Goalpara College. Dr. Subhash Barman, principal and Dr. S. K. Mishra, vice principal, were also present in the meeting and shared their thought.



8 | অসমীয়া প্ৰতিদিন ■ বঙাইগাঁও ■ শনিবাৰ, ১৬ ডিচেম্বৰ, ২০২৩/২৯ আঘোণ, ১৯৪৫ শক

রসায়ন বিজ্ঞান বিভাগৰ উদ্যোগ

গোৱালপাৰা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস পালন

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ১৫ ডিচেম্বৰ ঃ গোৱালপাৰা মহাবিদ্যালয়ত, ৰসায়ন বিজ্ঞান বিভাগৰ উদ্যোগত ১৪ ডিচেম্বৰত ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে শক্তি সংৰক্ষণৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বাৰ্তা সকলোকে প্ৰেৰণ কৰাৰ উদ্দেশ্যে আৰু শক্তি সংৰক্ষণৰ দিশত দেশখনৰ সফলতা আৰু দক্ষতা প্ৰদৰ্শনৰ উদ্দেশ্যে, ভাৰতত ১৯৯১ চনৰ পৰা প্ৰতি বছৰে ১৪ ডিচেম্বৰৰ দিনটো ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস হিচাপে পালন কৰা হয়। বৰ্তমান ভাৰত চৰকাৰৰ শক্তি বিভাগৰ অন্তৰ্গত প্ৰতিষ্ঠানে ৰাষ্ট্ৰীয় পৰ্যায়ত এই অনুষ্ঠান অনুষ্ঠিত কৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ দ্বাৰা অনুষ্ঠিত এই অনুষ্ঠানটো মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, উপাধ্যক্ষ ড° সন্তোষ কুমাৰ মিশ্ৰ, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰঞ্জিত চৌধুৰী, ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° আৰছাদ হুছেইন খানকে প্ৰমুখ্য কৰি ৰসায়ন বিজ্ঞান বিভাগৰ অন্যান্য অধ্যাপকসকল তথা মহাবিদ্যালয়ৰ বহুকেইটা বিভাগৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মহাবিদ্যালয়খনৰ অধ্যক্ষ আৰু উপাধ্যক্ষ দুয়োগৰাকীয়ে তেওঁলোকৰ মন্তব্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক শক্তি সংৰক্ষণৰ ক্ষেত্ৰত সজাগ আৰু সক্ৰিয় হ'বলৈ অনুপ্ৰাণিত কৰে। ড° ৰঞ্জিত চৌধুৰী আৰু ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড° ৰাকেশ মজুমদাৰে ছাত্ৰ-ছাত্ৰীসকলক শক্তি সংৰক্ষণৰ প্ৰয়োজনীয়তা, ভাৰত তথা বিভিন্ন দেশৰ এইক্ষেত্ৰত পদক্ষেপ, প্ৰতিজন নাগৰিকৰ কৰ্তব্য আদিৰ ওপৰত যথেষ্ট তথ্যসম্বলিত বক্তব্য প্ৰদান কৰে।



গোৱালপাৰা কলেজৰ ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ১৫ ডিচেম্বৰ ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ উদ্যোগত কালি ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস উদ্‌যাপন কৰা হয়। উল্লেখ্য যে শক্তি সংৰক্ষণৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বাৰ্তা সকলোকে প্ৰেৰণ কৰাৰ উদ্দেশ্যে আৰু শক্তি সংৰক্ষণৰ দিশত দেশখনৰ সফলতা আৰু দক্ষতা প্ৰদৰ্শনৰ উদ্দেশ্যে ভাৰতবৰ্ষত ১৯৯১ৰ পৰা প্ৰতি বছৰে ১৪ ডিচেম্বৰ ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস হিচাপে পালন কৰা হয়। বৰ্তমান ভাৰত চৰকাৰৰ শক্তি বিভাগৰ অন্তৰ্গত প্ৰতিষ্ঠানে ৰাষ্ট্ৰীয় পৰ্যায়ত এই অনুষ্ঠান অনুষ্ঠিত কৰে। ইপিনে, গোৱালপাৰাৰ আগশাৰীৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ঐতিহ্যমণ্ডিত গোৱালপাৰা মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত এই অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, উপাধ্যক্ষ ড° সন্তোষ কুমাৰ মিশ্ৰ, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰঞ্জিৎ চৌধুৰী, ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° আৰছাদ হুছেইন খানকে প্ৰমুখ্য কৰি ৰসায়ন বিজ্ঞান বিভাগৰ অন্যান্য অধ্যাপকসকল তথা মহাবিদ্যালয়ৰ বহুকেইটা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। মহাবিদ্যালয়খনৰ অধ্যক্ষ আৰু উপাধ্যক্ষই তেওঁলোকৰ মন্তব্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক শক্তি সংৰক্ষণৰ ক্ষেত্ৰত সজাগ আৰু সক্ৰিয় হ'বলৈ অনুপ্ৰাণিত কৰে। ড° ৰঞ্জিৎ চৌধুৰী আৰু ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড° ৰাকেশ মজুমদাৰে ছাত্ৰ-ছাত্ৰীসকলক শক্তি সংৰক্ষণৰ প্ৰয়োজনীয়তা, ভাৰত তথা বিভিন্ন দেশৰ এই ক্ষেত্ৰত পদক্ষেপ, প্ৰতিজন নাগৰিকৰ কৰ্তব্য আদিৰ ওপৰত যথেষ্ট তথ্য সম্বলিত বক্তব্য প্ৰদান কৰে।


PERIODIC TABLE
NATIONAL ENERGY CONSERVATION DAY, 2023
Date: 14th December, 2023
Department of Chemistry,
Goalpara College, Goalpara
Resource persons
GPS Map Camera
Goalpara, Assam, India
5J9G+QQG, Agia Rd, Goalpara, Assam 783101, India
Lat 26.169559°
Long 90.626856°
14/12/23 12:56 PM GMT +05:30
Google

